بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৪ অক্টোবৰ ২০২২ চনত মছজিদ বায়তুৰ ৰহমান মেৰিলেণ্ড আমেৰিকাত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**যদি আমি বয়াতৰ হ'ক (প্ৰাপ্য অধিকাৰ) আদায় দিব বিচাৰো, যদি আমি আল্লাহ তা'লাৰ কৃপাৰ শলাগ ল'ব বিচাৰো,তেন্তে আমি সদায় নিজৰ অৱস্থাৰ ওপৰত পৰ্যালোচনা কৰাৰ প্ৰয়োজন আছে।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আল্লাহ তা'লাৰ আটাইতকৈ ডাঙৰ কৃপা যি তেওঁ আমাৰ ওপৰত কৰিছে সেয়া হ'ল এয়া যে সি আমাক আঁহজৰত (ছাঃ)ৰ সত্য প্ৰাণ দাস হজৰত মছীহ মাওউদ (আঃ)ক গ্ৰহণ কৰি লোৱাৰ তৌফিক দান কৰিছে। এই অশেষ কৃপাৰ প্ৰতি প্ৰকৃত শলাগ লোৱাটো হ'ল এয়া যে আমি যেন আল্লাহ তা'লাৰ আদেশ পালন কৰো। হকুকুল্লাহ আৰু হকুকুল ইবাদ আদায় কৰিবলৈ যেন চেষ্টা কৰো। এই সকলোবোৰ তেতিয়াহে সম্ভৱ হ'ব যেতিয়া আমি হজৰত মছীহ মাওউদ (আঃ)ৰ বয়াতৰ হ'ক আদায় কৰাৰ পূৰ্ণ চেষ্টা কৰিম। আমি প্ৰকৃত মুছলমান হিচাপে নিজকে গঢ়িবলৈ হজৰত মছীহ মাওউদ (আঃ)ৰ আদৰ্শক লক্ষ্য কৰিব লাগিব। তেখেত (আঃ)য়ে দিয়া নিৰ্দেশ অনুযায়ী নিজকে পৰিচালিত কৰিব লাগিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে তেখেতৰ ওপৰত পূৰ্ণ বিশ্বাস আৰু ঈমান ৰখাৰ নচিহত কৰি কৈছে যে যিজনে ঈমান স্থাপন কৰে তেওঁ নিজৰ ঈমানেৰে বিশ্বাস আৰু খোদা চিনাক্তকৰণৰ ক্ষেত্ৰত উন্নতি কৰিব লাগিব যে তেওঁ যেন কোনো ধৰণৰ বশৱৰ্তী হৈ নপৰে। কৈছে যে এতিয়া তুমি ভাবি চোৱা আৰু নিজৰ অন্তৰত সিদ্ধান্ত লৈ লোৱা যে তোমালোকে মোৰ হাতত যি বয়াত কৰিছা আৰু মোক মছীহ মাওউদ আৰু ন্যায় বিচাৰক হিচাপে মানি লৈছা, ইয়াৰ পিছত যদি মোৰ কোনো ৰায় বা কামৰ ওপৰত তোমালোকৰ দুঃখ উপজে তেন্তে তোমালোকৰ ঈমান সম্পৰ্কে চিন্তা কৰি চোৱা। যিয়ে

মোক বিশ্বাস কৰিছে অথচ আপত্তিও ৰাখিছে তেন্তে তেওঁ আৰু বেছি দুৰ্ভগীয়া যে তেওঁ দেখিও অন্ধ হৈ আছে।

হজৰত মছীহ মাওউদ (আঃ) আৰু এখেত (আঃ)ৰ আগতে আঁহজৰত (ছাঃ)য়ে হজৰত মছীহ মাওউদ (আঃ)ৰ পিছত খিলাফত জাৰি হোৱাৰ সুসংবাদ প্ৰদান কৰিছিল। খিলাফতে আহমদীয়া হজৰত মছীহ মাওউদ (আঃ)ৰ ছিলছিলাক জাৰি ৰাখোতা নিজাম হয়। নিজৰ শপত নামাত প্ৰত্যেকজন আহমদীয়েই খিলাফতে আহমদীয়াৰ সৈতে সংযুক্ত থকাৰ আৰু আনুগত্যৰ শপত লয় সেই হিচাপে প্ৰত্যেক আহমদীৰ বাবে খিলাফতৰ সৈতে সংযুক্ত থকাৰ শপত পালন কৰা ফৰজ, নহলে তাৰ বয়াত অসম্পূৰ্ণ থাকি যাব।

কোৰাণ কৰিম অতি মনোযোগেৰে পঢ়াৰ ফালে মনত পেলাই দি হজৰত মছীহ মাওউদ (আঃ)য়ে কয় যে মই বাৰে বাৰে এই বিষয়ে সেই লোক সকলক যিসকলে মোৰ সৈতে সম্পৰ্ক ৰাখে, নচিহত কৰি আছো যে খোদা তা'লাই এই ছিলছিলা সত্যক প্ৰকাশ কৰিবলৈ প্ৰতিষ্ঠিত কৰিছে। মই বিচাৰো যে সজ আমলৰ জৰিয়তে ইছলামৰ গুণাৱলী জগতত প্ৰকাশিত হওঁক যেনেকৈ খোদা তা'লাই মোক এই কাম সম্পাদনাৰ্থে আদিষ্ঠ কৰিছে, মামুৰিয়ত দান কৰিছে। গতিকে সকলোৱে কোৰাণ কৰিম বেছি বেছিকৈ পঢ়া, কিন্তু এয়া এটা পৌৰাণিক গল্প কাহিনী হিচাপে নহয়; বৰং এটা দৰ্শন ভাৱিহে পঢ়িবা। আমি যদি জাগতিক ব্যস্ততাৰ মাজত ডুব গৈছো তেন্তে আমাৰ সন্তান সকলে নিশ্চয় এদিন ধৰ্মৰ পৰা আঁতৰি যাব। গতিকে এই বিষয়ে বহুত কৰিবলগীয়া কৰ্তব্য ৰৈ আছে। মনত ৰাখিবা যে কেৱল বয়াত কৰিলেই সকলো উদ্দেশ্য পূৰ্ণ নহয়। উদ্দেশ্যবোৰ তেতিয়াহে পূৰ্ণ হ'ব যেতিয়া আমি নিজে ইছলামী শিক্ষাৰ অনুসাৰী হ'ম আৰু এয়া তেতিয়াহে পূৰ্ণ হ'ব যেতিয়া আমি কোৰাণ কৰিম পঢ়িম আৰু ইয়াৰ নিৰ্দেশৰ ওপৰত আমল কৰিম।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে সত্য কথা হ'ল এয়া যে তোমালোকে সেই নিজৰাৰ পাৰ আহি পাইছা, যিটো আল্লাহ তা'লাই চিৰকলীয়া জীৱনৰ নিমিত্তে সৃষ্টি কৰিছে। হয়, তোমালোকে কেৱল মাত্ৰ এই নিজৰাৰ পানী পান কৰিবলৈহে বাকী আছে। গতিকে খোদা তা'লাৰ কৃপাৰ সৈতে তৌফিক বিচৰা যে সি যেন তোমালোকক সেয়া দান কৰে, কাৰণ খোদা বিহনে একোৱে সংগঠিত নহয়। এয়া মই নিশ্চিত ভাৱে জানো যে যিজনে এই নিজৰাৰ পানী পান কৰিব, তেওঁ কেতিয়াও ধ্বংস নহয়। কাৰণ এই পানীয়ে অমৰত্ব দান কৰে। এই নিজৰাৰ পৰা পৰিতৃপ্ত হোৱাৰ উপায় হ'ল এয়া যে খোদা তা'লাই যি দুটা হ'ক তোমালোকৰ ওপৰত স্থাপন কৰিছে সেয়া বাহাল কৰিব লাগিব আৰু পূৰ্ণ ভাৱে আদায় কৰিব লাগিব। ইয়াৰে এটা হ'ল খোদাৰ হ'ক আৰু আনটো হ'ল তাৰ বান্দাৰ হ'ক।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে কেৱল বয়াত কৰাই যথেষ্ট নহয় আল্লাহ তা'লাই বিচাৰে আমল। যিজনে আমল কৰিব তেওঁ কেতিয়াও ধ্বংস নহয় বৰং সদায় আল্লাহ তা'লাৰ ফজল (কৃপা) লাভ কৰি থাকে। এনেকুৱা কাৰ্যকৰ অৱস্থা তেতিয়াহে সৃষ্টি হ'ব যেতিয়া লা ইলাহা ইল্লাল্লাহু

তোমালোকৰ প্ৰকাশ্য আৰু গোপনীয় শব্দত পৰিণত হ'ব আৰু তোমালোকৰ আল্লাহ্ তা'লাৰ বাহিৰে কোনো বস্তুৰেই চাহিদা নাথাকিব। আল্লাহ্ তা'লাৰ আদেশ পূৰ্ণ ভাৱে পালন কৰা। গতিকে এতিয়া প্ৰত্যেকেই নিজৰ পৰীক্ষা লৈ চাব পাৰা যে যেতিয়া আমি কলিমা পাঠ কৰো, তেতিয়া সঁচাকৈয়ে আল্লাহ্ তা'লাৰ সন্তুষ্টি অৰ্জন কৰা আমাৰ উদ্দেশ্য হয় নে ? আমি তাৰ আদেশৰ আনুগত্য কৰোনে ? যদি নামাজৰ সময়ত জাগতিক কাম-কাজ এৰি নামাজৰ ফালে আমাৰ মনোযোগ নাই তেন্তে আমি মুখতে কলিমা পঢ়িছো যদিও শিৰিক আমাৰ হৃদয়ত বিৰাজমান আছে। এজন মোমিনে এই বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত হয় যে মোৰ ব্যৱসায়,বাণিজ্যত আৰু মোৰ কামত আল্লাহ্ তা'লাৰ কৃপাতহে বৰকত আহিব। তেন্তে এয়া কেনেকৈ হ'ব পাৰে যে মোৰ জাগতিক কাম কাজ আল্লাহ্ তা'লাৰ নিৰ্দেশৰ বিৰুদ্ধে থিয় দিব। যদি এনেকুৱা হৈ যায় তেন্তে আমি কলিমাৰ গূঢ়াৰ্থ বুজিয়ে পোৱা নাই। আমি মুখত কলিমা পঢ়ি আছো কিন্তু আমাৰ আমলে স্বীকাৰুক্তিৰ লগ দিয়া নাই। যদি এনেকুৱা অৱস্থা আৰু পৰিস্থিতি হয় তেন্তে আমাৰ বয়াতৰ হ'ক আদায় হৈ থকা নাই।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আল্লাহ তা'লাই যি হকুকুল ইবাদ আদায় কৰাৰ ফালে মনোযোগ আকৰ্ষণ কৰিছে; সেয়া যেতিয়া আদায় কৰা হ'ব তেতিয়া এজনে প্ৰকৃত মোমিন হিচাপে পৰিগণিত হ'ব; আৰু বয়াতৰ হকও আদায় কৰা হ'ব। হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ জামাতক নচিহত কৰোঁতে কৈছে, যদি দুনিয়াদাৰ সকলৰ দৰে থাকিবলৈ লোৱা তেন্তে একো লাভ নাই। তোমালোকে মোৰ হাতত তওবা কৰাটোয়ে এক মৃত্যু বিচাৰে যে তোমালোকে যেন এক নতুন জীৱন লাভ কৰিব পাৰা। যদি তোমালোকে আধ্যাত্মিক জীৱন লাভ কৰিব নোৱাৰা তেন্তে এনেকুৱা বয়াত কৰি কি লাভ আছে। মোৰ বয়াতৰ পৰা খোদা তা'লা অন্তৰৰ স্বীকাৰুক্তি বিচাৰে। যিজনে বিশুদ্ধ হৃদয়ে মোক গ্ৰহণ কৰে আৰু নিজৰ গোণাহৰ পৰা তওবা কৰে, তাক খোদা তা'লাই ক্ষমা কৰি দিয়ে আৰু তেওঁ এনেকুৱা হৈ যায় যে তেওঁ মাকৰ গৰ্ভৰ পৰা ওলাই আহিল।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আমাৰ ইবাদত সমূহ নিস্কলুষ আৰু আমল যেন আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জন কৰোঁতা হয়। বৰ্তমানে জগতৰ পৰিস্থিতি চাই অনুমান হয় যে ধ্বংসলীলাৰ বিভিষিকা ওচৰ চাপি আহিছে আৰু যি ধ্বংস সংগঠিত হ'ব সেয়াই জগতৰ বিনাশ সাধন কৰিব। গতিকে এতিয়া আহমদী সকলে দোৱাৰে সৈতে কাম কৰিব লাগিব। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে সাধু পুৰুষ সকলৰ নিমিত্তে আল্লাহ তা'লাই আনকও ৰক্ষা কৰি থাকে। আমি বৰ বিপদজনক পৰিস্থিতিৰ মাজেৰে পাৰ হ'বলৈ লৈছো। এনেকুৱা অৱস্থাত যদি আমাক কোনোবাই বচাব পাৰে তেন্তে সেয়া একমাত্ৰ আল্লাহ তা'লাৰ সত্তায়হে পাৰিব। নিজকে আৰু নিজৰ বংশধৰ সকলক তাৰ আগত নতশীৰ হওঁতা বনাওঁক যাতে নিজে আৰু নিজৰ বংশধৰ সকলক নিৰাপদ কৰিব পাৰে। যদি আমি সজ আমলৰ জৰিয়তে জগত খনকও ৰক্ষা কৰিব। গতিকে জগতৰ পৰিস্থিতি পতনৰ চৰম সীমালৈ গৈ পোৱাৰ আগতেই বেছি বেছি দোৱা কৰক। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে

নেকি হ’ল সেয়া যিটো সময়ৰ আগতে কৰা হয় যদি পিছত কৰে তেন্তে কোনো লাভ নহ’ব। নাও এখন ডুবি গলে সকলোৱে কান্দে কিন্তু কন্দা বা চিঞৰ-বাখৰ নাও এখন ডুবি যোৱাৰ সময়ত কোনো কামতে নাহে। নিৰাপদ অৱস্থাত থকাৰ সময়ত দোৱা কৰা বাঞ্চনীয়। খোদা তা’লাক লাভ কৰাৰ এয়াই হ’ল আচল তত্ব। যদি মানুহে সময় থাকোতে সজাগ হয় যে সম্ভৱত তাৰ ওপৰত বজ্রপাত হ’ব পাৰে। কিন্তু যিজনে বজ্রপাত হওঁতেই চিঞৰ মাৰি দিয়ে যে তেওঁৰ ওপৰত বজ্রপাত যেন নপৰে যাৰ ফলত তেওঁ বজ্রপাতৰ প্ৰতি ভয় কৰে, নে খোদাৰ প্ৰতি।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি আহমদী সকলৰ ঈমান আৰু আল্লাহ তা’লাৰ সৈতে সম্পৰ্ক আৰু দোৱায় জগতখনক ধ্বংসৰ পৰা বচাব পাৰিব। জগতবাসীৰ প্ৰতি সহানুভূতিশীল হৈ জগতৰ বাবে দোৱা কৰক। যদি হকুকুল্লাহ আৰু হকুকুল ইবাদৰ ফালে মন দিয়া নহয় তেন্তে এই জগত জনশূন্যতালৈ পৰৱৰ্তিত হ’ব। গতিকে প্ৰত্যেক জন আহমদীয়েই এই চিন্তা আগত ৰাখি নিজৰ কৰ্তব্য পালন কৰক। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে চোৱা ! তোমালোকে পৰিশ্ৰম কৰি খেতিবাতি কৰা আৰু তাত লাভৰ আশা কৰা। এনেদৰে নিৰাপদ থকাৰ দিনকেইটা হ’ল পৰিশ্ৰম কৰাৰ দিন, তাতে খোদা তা’লাক স্মৰণ কৰিলে, নিশ্চয় ৰহিম ও কৰিম খোদা কৃপা কৰিব। নামাজত, ৰুকুৰ মাজত, ছিজদাৰ সময়ত দোৱা কৰা যে হে আল্লাহ পৰৱৰদিগাৰ এই বিপদ তুমি আঁতৰাই দিয়া আৰু আমাক শাস্তিৰ পৰা নিৰাপদ কৰা। যিয়ে দোৱা কৰে সি কেতিয়াও বঞ্চিত নহয়। এয়াও কেতিয়াও সম্ভৱ নহয় যে দোৱা কৰোঁতাই ধ্বংসৰ গ্ৰাসত নিমজ্জিত হয়। যদি এনেকুৱা হয় তেন্তে খোদা তা’লাক কেতিয়াও চিনিব পৰা নাযায়। গতিকে এনেকুৱা কৰা যাতে একাগ্ৰতায় সম্পূৰ্ণ ভাৱে তোমালোকৰ অন্তৰত জন্ম লয়। বৰ্তমানে এনেতেই ধ্বংসৰ ক’লা মেঘ দেখিবলৈ পোৱা গৈ আছে, সেয়ে আমি আল্লাহ তা’লাৰ আগত শিৰণত কৰিব লাগিব কাৰণ জগতখনক ধ্বংসৰ কবলৰ পৰা ৰক্ষা কৰাৰ এয়াই একমাত্ৰ বাট।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে উত্তম চৰিত্ৰ প্ৰদৰ্শন কৰাও আল্লাহ তা’লাৰ আদেশৰ মাজৰ এটা আদেশ। কৈছে যে বেয়া কপটীয়া ভাষায়ও অৰ্থাৎ কথা বতৰাত শত্ৰুতাৰ জন্ম দিয়ে গতিকে নিজৰ জিভা খনক সদায় নিয়ন্ত্ৰণত ৰখা উচিত। ইছলামে য’ত চৰিত্ৰৰ সীমা ৰেখাৰ ভিতৰত থকাৰ শিক্ষা দিয়ে তাত আইনৰ সীমা ৰেখাৰ ভিতৰত থাকিবলৈও শিক্ষা দিয়ে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আৰু এটা গুণ আহমদী সকলৰ মাজত থকা উচিত সেয়া হ’ল পৰস্পৰে মিলাপ্ৰীতি আৰু ভ্ৰাতৃত্বৰোধৰ জন্ম দিয়া। কৈছে যে আমাৰ জামাত তেতিয়ালৈকে উন্নতি কৰিব নোৱাৰে যেতিয়ালৈকে পৰস্পৰে প্ৰকৃত সহানুভূতিৰ জন্ম নিদিয়ে। তেখেত (আঃ)য়ে সকলোকে মনত পেলাই দিছে যে জামাতে আহমদীয়াত যোগদান কৰি আমি এজন আধ্যাত্মিক পিতৃৰ সন্তান হৈ পৰিছো, সেয়ে কোনোৱে কাৰো ওপৰত কতৃত্ব ৰাখিব নোৱাৰে। আৰু কৈছে যে আল্লাহ তা’লা এই জামাতক এটা আদৰ্শ স্বৰূপ বনাব বিচাৰে। গতিকে এই আদৰ্শ স্তম্ভ কেৱল মুখৰ কথা আৰু গভীৰ

আমল অবিহনে স্থাপিত হ’ব পাৰিবনে ? ইয়াৰ বাবে বৰ পৰিশ্ৰম আৰু জিহাদ কৰিব লাগিব। নিজৰ ইবাদতৰ মান উন্নত কৰি আৰু নিজৰ নৈতিক চৰিত্ৰৰ উন্নতি সাধন কৰি আৰু মিলা-প্ৰীতি ভ্ৰাতৃত্ববোধ প্ৰতিষ্ঠা কৰি আমি চাব লাগিব যে আমি সেই আদৰ্শ স্থাপন কৰি আছো নে নাই।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আল্লাহ তা’লা মুত্তাকী সকলক ভাল পায়। আল্লাহ তা’লাৰ মহানতাক মনত পেলাই অন্তৰত ভয় সঞ্চাৰ কৰা আৰু মনত ৰাখিবা আমি সকলোৱেই আল্লাহ তা’লাৰ বান্দা হয়। কাৰো ওপৰত অন্যায় নকৰিবা, কাকো তাচ্ছিল্য দৃষ্টিত নেচাবা। যদি এজন লোক বেয়া হয় তেন্তে তেওঁ সকলোকে বেয়া কৰিব পাৰে। উচ্চ সন্মান আৰু উত্তম চৰিত্ৰ সেই সময়ত জন্ম লয় যেতিয়া তাকওয়াৰ উচ্চ মান প্ৰতিষ্ঠা হয়। আমাৰ জামাতৰ সদস্য সকলে এনেকুৱা এজন লোকৰ সৈতে সম্পৰ্ক স্থাপন কৰিছে যাৰ মামুৰিয়তৰ প্ৰতিশ্ৰুতি আছে। আমাৰ জামাতে এই চিন্তাক জাগতিক কামতকৈ বেছি প্ৰাধান্য দিয়ক যে তাৰ মাজত তাকওৱা আছে নে নাই ? যদি আমি বয়াতৰ হ’ক আদায় দিব বিচাৰো, যদি আমি আল্লাহ তা’লাৰ কৃপাৰ শলাগ ল’ব বিচাৰো, তেন্তে আমি সদায় নিজৰ অৱস্থাৰ ওপৰত পৰ্যালোচনা কৰাৰ প্ৰয়োজন আছে।

আল্লাহ তা’লা আমাক তৌফিক দান কৰক যাতে আমি হজৰত মছীহ মাওউদ (আঃ)ৰ ইচ্ছা অনুযায়ী নিজৰ জীৱন পৰিচালিত কৰিব পাৰো। আমি দ্বীনক দুনিয়াৰ ওপৰত প্ৰাধান্য দিওঁতা হ’ব পাৰো। আল্লাহ তা’লাৰ ভয় যেন আমাৰ হৃদয়ত সঞ্চাৰিত হয় আৰু আমি যেন প্ৰকৃত ভাৱে আশ্‌হাদু আল্লা ইলাহা ইল্লাল্লাহুৰ হ’ক আদায় কৰোঁতা হ’ব পাৰো আৰু আমি যেন আখেৰিণ সকলৰ সেই জামাতত চামিল হ’ব পাৰো যাৰ সুসংবাদ আল্লাহ তা’লাই আঁহজৰত (ছাঃ)ক প্ৰদান কৰিছিল। আল্লাহ তা’লাই ইয়াৰ বাবে তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 14 OCT 2022**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................

..........................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844